নং ঃ ৫৪৯/২০২০

# মৈত্ৰী আঁচনিৰ অধীনত নৱ নিৰ্মিত দুধনৈ থানা উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## আৰক্ষীৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি হৈছে ঃ মুখ্যমন্ত্ৰী

### অসম চৰকাৰে সাৰ্বজনীন দৃষ্টিভংগীৰে সম-উন্নয়নৰ বাবে কাম কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ আগষ্ট ঃ** 'আৰক্ষী জনসাধাৰণৰ বন্ধু। বিপদৰ বন্ধু হিচাপে ৰাইজে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ আৰক্ষী বিভাগে বলিষ্ঠতাৰে প্ৰত্যুত্তৰ দিব লাগিব। বিগত চাৰে চাৰি বছৰে অসম আৰক্ষীয়ে যি নিষ্ঠা আৰু একাগ্ৰতাৰে জনসাধাৰণৰ প্ৰতি সেৱা আগবঢ়াইছে তাৰ ফলত ৰাইজৰ মাজতো আৰক্ষীৰ প্ৰতি আস্থা আৰু বিশ্বাস বৃদ্ধি হৈছে।' অসম চৰকাৰৰ মৈত্ৰী আঁচনিৰ অধীনত গোৱালপাৰা জিলাৰ দুধনৈ থানাৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰি এই উপলক্ষে অনুষ্ঠিত অনুষ্টুপীয়া সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰৰ মৈত্ৰী আঁচনিৰ লক্ষ্য হৈছে একবিংশ শতিকাৰ ন-ন প্ৰত্যাহ্বানৰ প্ৰত্যুত্তৰ দিব পৰাকৈ আৰক্ষী বাহিনীক গঢ়ি তোলা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্মাৰ্ট আৰক্ষী গঢ়িবলৈ জনোৱা আহ্বানৰ প্ৰতি সহাঁৰি জনাই অসম চৰকাৰে পদক্ষেপ লৈছে। ইয়াৰ অংশ হিচাপে মৈত্ৰী আঁচনিৰ অধীনত আন্তঃগাঁথনি সৱল কৰাৰ উদ্দেশ্যেৰে অত্যাধুনিক সা-সুবিধাৰে থানাসমূহ পুনৰ নিৰ্মাণ কৰা হৈছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সম্প্ৰতি ৰাজ্যৰ দৃশ্যপট সলনি হৈছে। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ নেতৃত্বত আৰক্ষী বাহিনীয়ে দৃঢ়তা আৰু দক্ষতাৰে সকলো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। আৰক্ষী বিভাগে দায়বদ্ধতা আৰু নিষ্ঠা সহকাৰে দায়িত্ব পালন কৰাৰ ফলত ৰাইজৰ আস্থা বৃদ্ধি হৈছে। থানা সমূহত এজাহাৰ দাখিলৰ হাৰ সম্প্ৰতি বৃদ্ধি পাইছে। তদন্ত প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবেও আৰক্ষী বিভাগে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আৰক্ষী বিভাগে একে সময়তে বিভিন্ন সমস্যাৰ বিৰুদ্ধে যুঁজ দিব লাগে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে সাম্প্ৰতিক পৰিস্থিতিত মনোবল অটুত ৰাখি ক'ভিড-১৯ ৰ লগতে সকলো প্ৰত্যাহ্বান সাহসেৰে মোকাবিলা কৰাৰ বাবে অসম আৰক্ষীৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে আৰক্ষীৰ প্ৰতি ইতিবাচক দৃষ্টিভংগীৰে সহযোগিতা আগবঢ়াবলৈ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ আস্থা, বিশ্বাস বাহাল থকাৰ বাবে আৰক্ষীয়ে কাম কৰি যাব লাগিব। ভাল কাম কৰা আৰক্ষীক পুৰস্কৃত কৰাৰ লগতে বেয়া কাম কৰা সকলে শাস্তিৰ সন্মুখীন হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বৰ্তমানৰ অসম চৰকাৰখনক জনতাৰ চৰকাৰ বুলি উল্লেখ কৰি ৰাইজৰ দিহা-পৰামৰ্শ আৰু গঠনমূলক সমালোচনাক চৰকাৰে মৰ্যাদা প্ৰদান কৰি আহিছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

‘সৰকা সাথ, সৰকা বিকাশ তথা সৰকা বিশ্বাস’ নীতিৰে অসম চৰকাৰে ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীক সমানে সুযোগ প্ৰদান কৰিছে বুলি তেওঁ কয়। খিলঞ্জীয়া ভূমি পুত্ৰসকলে মাটি-ভেটি, কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য ৰক্ষাৰ বাবে সুযোগ পাইছে। অসম চৰকাৰে সাৰ্বজনীন দৃষ্টিভংগীৰে সকলোকে সম-মৰ্যাদা প্ৰদান কৰি সম-উন্নয়নৰ বাবে কাম কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে ৰাষ্ট্ৰীয় বঁটা প্ৰাপক শিপিনী বীণাপানী কোঁচ আৰু প্ৰগতিশীল কৃষক চেনাই চি বসুমতাৰীক সম্বৰ্দ্ধনা জনায়।

অনুষ্ঠানত ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, দুধনৈ সমষ্টিৰ বিধায়ক দীপক ৰাভা আৰু অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান (আইন-শৃংখলা) জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙেও ভাষণ প্ৰদান কৰে। গোৱালপাৰা জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই আদৰণি ভাষণ আগবঢ়োৱা এই অনুষ্ঠানত বিধায়কসকল ক্ৰমে বিমল বৰা আৰু চাহাবুদ্দিন আহমেদ, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ ছৈয়দ মমিনুল আৱাল, পশ্চিম ৰেঞ্জৰ উপ-আৰক্ষী মহা পৰিদৰ্শক ৰৌণক আলি হাজৰিকা, অসম আৰক্ষী গৃহ নিৰ্মাণ পৰিষদৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, উপায়ুক্ত বৰ্ণালী ডেকা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**
**১৯/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in